# 2016

## ASSAMESE

( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) ‘ললিতা’ লোকনাট্যানুষ্ঠানটো ভাৰতবৰ্ষৰ কোন প্ৰদেশত প্ৰচলিত?

(খ) ‘চপয়’ কি?

(গ) ‘শ্ৰীৰামৰায়া ভকতি সুজান—’ ৰামৰায় কোন?

(ঘ) শংকৰদেৱৰ নিঃসন্দেহে শ্ৰেষ্ঠ নাট কোনখন?

(ঙ) “হা হা সখি তোহাক কি কম্পাল মিলল। বিধি বাম ভেল।” কথাষাৰৰ বক্তা কোন?

(চ) ‘অসমৰ লোকনাট্য’ গ্ৰন্থখন কাৰ ৰচনা?

(ছ) ‘উদ্ধৱযান’ নাটৰ আন এটা নাম কি?

২। *এটা* বা *দুটা* বাক্যত উত্তৰ দিয়া : ২×৪=৮

(ক) অসমৰ বৈষ্ণৱ সত্ৰ সমাজত প্ৰচলিত 'বাৰনাট' কি?

(খ) মহাপুৰুষ মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন নাট'ৰ মূল কাৰ্য আৰু কাৰণ কি কি?

(গ) "হে জগতক পিতামহ তোহাক দৰশন দেৱৰ দুৰ্লভ। হামো মানুষ হুয়া তোহাক দৰশন ভেলু। হামাক ভাগ্যক মহিমা কি কহব।" কথাষাৰ কোনে, কাক উদ্দেশ্যি কৈছিল?

(ঘ) 'কম্বুকণ্ঠ' আৰু 'ৰজকেৰি' শব্দ দুটাৰ অৰ্থ লিখা।

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৰা) : ৫×৩=১৫

(ক) হাতে শৰধনু ধৰি সব ধাৰে।
কম্পিত মেদিনী এ পদ যাৰে॥
বাহু দৰ্পিয়ে কৰয় টঙ্কাৰ।
বোলয় ডাকি ডাকি অহংকাৰ॥

(খ) হে স্বামি কৃষ্ণ হামো তোহাৰি কিঙ্কৰ ঃ তোহো আপোন সৰ্ব্বজ্ঞ, সৰ্ব্ব অন্তৰ্য্যামীসকলে জগতক বাহিৰে ভিতৰে থিক। তোহাত কোনে আঁৰ কৰিতে পাৰয়?

(গ) আজু আৰ্দাসক সময় নাহি হয় হামাকু বাধা কৰিতে আৱল? অব যে বোলল তাহেক হামু সহলো, আৰ যব বোলহ তব হামাকু বাত বুজব।





(ঘ) মুকুট কুণ্ডল কেয়ুৰ কঙ্কণ
গলে গজমতি জলে।
কঙ্কণ কিঙ্কিণি বাজে ৰিণি ৰিণি
নেপুৰ পদকমলে॥

(ঙ) সুন্দৰী বিজয়কু আগু বিনাৰে
হামাৰি জীৱন ধন কৈচন চলবি বন
তোহাৰি বিৰহে তনুতাৰে॥

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) "অংকীয়া নাটত নাটকৰ বাহ্যৰূপ আছে, কিন্তু প্ৰকৃত নাটকীয় প্ৰাণ-স্পন্দন নাই।" এই উক্তিৰ আধাৰত অংকীয়া নাটৰ কলাকৌশল সম্পৰ্কে আলোচনা কৰি অঙ্কীয়া নাটৰ দোষ-ক্ৰটী বিচাৰ কৰা।

*অথবা*

কালিৰাম মেধিৰ মতে "সংস্কৃত নাটৰ সন্ধি পঞ্চক অঙ্কীয়া নাটতো বিদ্যমান"। সন্ধি পঞ্চক কি? মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন নাট'ত নাটকীয় পঞ্চসন্ধি দেখুৱাব পৰা যায়নে, ফঁহিয়াই আলোচনা কৰা।

(খ) শ্ৰীৰাম আতাৰ পৰিচয় দাঙি ধৰি 'সুভদ্ৰাহৰণ নাট'ৰ গীতসমূহৰ আকৰ্ষণীয়তা যথাসম্ভৱ উদাহৰণেৰে আলোচনা কৰা।

*অথবা*

'জন্মযাত্ৰা' নাটক আগত ৰাখি গোপাল আতাৰ গদ্যৰীতি সম্পৰ্কত এটি প্ৰৱন্ধ যুগুতোৱা।

(গ) ‘অৰ্জুন ভঞ্জন নাট’ৰ মূল আৰু নাট্যকাৰৰ মৌলিকতা সম্পৰ্কে বিতং আলোচনা আগবঢ়োৱা।

*অথবা*

‘ৰুক্মিণীহৰণ’ নাটত শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ পূৰ্বৰাগ, বিৰহ, মিলন, মিলনভঙ্গৰ আশংকা আৰু পুনৰ মিলন— কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

★★★





**2016**

# ASSAMESE

## ( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) শ্ৰীকৃষ্ণৰ শৈশৱৰ লীলাক্ষেত্ৰখনৰ নাম কি?

(খ) শ্ৰীকৃষ্ণক বৃন্দাবনৰ পৰা মথুৰালৈ নিবলৈ অহা ব্যক্তি-গৰাকী কোন আছিল?

(গ) বৈষ্ণৱ ৰস-সাধনাত কোন ৰসক সৰ্বোচ্চ স্থান দিয়া হৈছে?

(ঘ) ‘ব্ৰজবুলি গীতিগুচ্ছ’ গ্ৰন্থখনৰ সম্পাদকগৰাকীৰ নাম কি?

(ঙ) মৈথিলী ভাষাত ৰচিত বিদ্যাপতিৰ একমাত্ৰ গ্ৰন্থখনৰ নাম কি?

(চ) বঙ্গদেশৰ ব্ৰজবুলি কাব্যপৰম্পৰাৰ এগৰাকী প্ৰধান কবিৰ নাম লিখা।

(ছ) বৈষ্ণৱ সাহিত্যত 'অভিনৱ জয়দেৱ' বুলি কোনগৰাকী কবিক কোৱা হয়?

২। উত্তৰ লিখা : ২×৪=৮

(ক) শ্ৰীৰূপ গোস্বামীয়ে আদৰ্শ নায়ক আৰু আদৰ্শ নায়িকা বুলি কোন দুগৰাকী নায়ক-নায়িকাক বুজাইছে?

(খ) জ্ঞানদাসে কোন দুটা ভাষাত তেওঁৰ পদাৱলী সাহিত্য ৰচনা কৰিছিল?

(গ) গোবিন্দদাস কোনগৰাকী কবিৰ ভাবশিষ্য আছিল? কি জাতীয় পদ ৰচনাত গোবিন্দদাসৰ কৃতিত্ব আটাইতকৈ বেছি?

(ঘ) শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো? এই বৰগীতটো তেওঁ ক'ত থাকোঁতে ৰচনা কৰিছিল?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) শূন্য ভৈল অঙ্গিনা বিৰিন্দা-বিপিন।
না সোহে ৰয়নী জৈছে চান্দ-বিহীন॥

(খ) ঝম্পি ঘন গৰজন্তি সন্তত
ভুবন ভাৰি বৰসন্তিয়া।
কন্ত পাহুন কাম দাৰুণ
সঘনে খৰ সৰ হন্তিয়া॥





(গ) না খোঁজলুঁ দূতি না খোঁজলুঁ আন।
দুহুক মিলনে মধ্যত পাঁচ-বাণ॥
অব সো বিৰাগে তুহু ভেলি দূতি।
সুপুৰুখ প্ৰেমক ঐছন ৰীতি॥

(ঘ) সো বহু বল্লভ জগজন দুৰ্ল্লভ
তেজলি নিজ মনসাধে।

(ঙ) খালি উদৰে হৰি হাত নিবেশিয়ে
দেখত বোলত বাণী।
আপুন তনয়কহো দুখ দেখিয়ে মাই
নয়নে ঝুৰাৰত পানী॥

৪। (ক) ব্ৰজবুলি ভাষাৰ উৎপত্তি, এই ভাষাৰ শব্দসম্ভাৰ আৰু ব্যাকৰণগত বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰা। ৪+৩+৩=১০

*অথবা*

ব্ৰজবুলি ভাষা সম্পৰ্কে তোমাৰ ধাৰণা অৱগত কৰি অসমৰ ব্ৰজবুলি সাহিত্যৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২+৮=১০

(খ) ব্ৰজবুলি সাহিত্যত 'মাথুৰ বিৰহ' শব্দ দুটাৰ তাৎপৰ্য কি? তোমাৰ পাঠৰ আধাৰত 'মাথুৰ বিৰহ' শীৰ্ষক গীতকেইটাৰ চমু সমীক্ষা আগবঢ়োৱা। ২+৮=১০

*অথবা*

উপযুক্ত উদ্ধৃতিৰে বিদ্যাপতি আৰু শংকৰদেৱৰ গীতসমূহৰ মাজত থকা সাদৃশ্য-বৈসাদৃশ্যসমূহ আলোচনা কৰা। ৫+৫=১০

(গ) ৰায় ৰামানন্দৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ কাব্যকৃতি সম্পৰ্কে চমুকৈ লিখা। ৫+৫=১০

*অথবা*

পদাৱলী সাহিত্যত কেই প্ৰকাৰৰ নায়িকাৰ বিষয়ে উল্লেখ কৰা হৈছে? প্ৰত্যেকবিধ নায়িকাৰ বিষয়ে চমুকৈ আলোচনা কৰা। ১০

★★★





**2016**

# ASSAMESE

## ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) প্ৰথম বৌদ্ধ মহাসংগীতি ক'ত অনুষ্ঠিত হৈছিল?

(খ) নিয়া প্ৰাকৃতৰ উদ্ধাৰকৰ্তা কোন?

(গ) 'সাৰিপুত্ৰ প্ৰকৰণ' কাৰ ৰচনা?

(ঘ) মাগধী প্ৰাকৃতৰ সৰ্বপ্ৰাচীন নিদৰ্শন ক'ত দেখা পোৱা যায়?

(ঙ) 'পউমচৰিয়'ৰ ৰচয়িতা কবিগৰাকীৰ নাম লিখা।

(চ) 'পিটক' শব্দৰ অৰ্থ কি ?

(ছ) "Maharashtri was regarded as the Prakrit per excellence." কথাষাৰ কোনে কৈছিল ?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'সন্দেশ ৰাসক' কাব্যখনিৰ ৰচকজনৰ নাম লিখি কাব্যখন কেইটা প্ৰক্ৰমত বিভক্ত, লিখা।

(খ) উপোসখ কি? উপোসখ অনুষ্ঠানটি কোন ধৰ্মৰ লগত জড়িত ?

(গ) পালি ভাষাত ৰচিত ছন্দ সম্বন্ধীয় আৰু অলংকাৰ সম্বন্ধীয় গ্ৰন্থ দুখনৰ নাম লিখা।

(ঘ) জাতক কি ? জাতক শব্দ কি অৰ্থত ব্যৱহৃত হৈছে ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'অভিজ্ঞান শকুন্তলম'ৰ পাঠত উল্লেখিত ষষ্ঠ অংকৰ পূৰ্ব প্ৰসংগ উত্থাপন কৰা।

(খ) 'কৰ্পূৰমঞ্জৰী'ৰ কবিগৰাকীৰ এটি চমু পৰিচয় দাঙি ধৰা।

(গ) ভাৰতীয় দূতকাব্যৰ পৰম্পৰাৰ শেহতীয়া নিদৰ্শন বুলি কোনখন গীতিকাব্যৰ নাম উল্লেখ কৰা হৈছে? এই কাব্যখনিৰ বিষয়বস্তু সম্পৰ্কে টোকা প্ৰস্তুত কৰা।

(ঘ) "অপ্পমাদো অমতপদং পমাদো মচ্চুনো পদং
অপ্পমত্তা ন মীয়ন্তি যে পমত্তা যথামতা।"

উক্ত গাঁথাশাৰী ক'ৰ পৰা উদ্ধৃত আৰু এই গাঁথাৰ দ্বাৰা কি অৰ্থ প্ৰকাশ কৰা হৈছে লিখি 'অমতপদং' শব্দৰ অৰ্থ লিখা।





৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) প্ৰাকৃত গীতিকাব্যৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন 'গাহাসত্তসঈ' কাৰ দ্বাৰা ৰচিত, নাম উল্লেখ কৰি কাব্যখনিৰ বিষয়বস্তু সম্পৰ্কে বুজাই লিখা।

(খ) সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজা? সাহিত্যিক প্ৰাকৃত-কেইটাৰ নাম উল্লেখ কৰি মাগধী প্ৰাকৃত সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(গ) 'অভিজ্ঞান শকুন্তলম' নাটকৰ ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথনখিনি নিজৰ ভাষাৰে উল্লেখ কৰি তৎকালীন সমাজব্যৱস্থা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঘ) 'অপ্পমাদ' শব্দৰ অৰ্থ সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতামত উল্লেখ কৰি বৰ্গটিৰ সাৰ কথাখিনি পাঠৰ উদ্ধৃতিৰে লিখা।

(ঙ) বিষয়বস্তুৰ পৰিবেশন অনুযায়ী অপভ্ৰংশ সাহিত্যক কেনেদৰে ভাগ কৰা হৈছে লিখি যি কোনো এটি ভাগৰ পৰিচয় দাঙি ধৰা।

★★★